NSD NEWS BULLETIN
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-05-2024
**Time :** 19.10 hrs

*Assamese Evening Bulletin*

## HEADLINES

১। প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ চৰকাৰ সংবিধানৰ পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ বদ্ধপৰিকৰ।

২। কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই তেওঁৰ দল ক্ষমতালৈ আহিলে অৱহেলিত-বঞ্চিত মহিলাসকলক বছৰি ১ লাখ টকাকৈ প্ৰদান কৰিব আৰু চৰকাৰী খণ্ডত এনে মহিলাৰ বাবে ৫০ শতাংশ চাকৰি সংৰক্ষণ কৰিব বুলি প্ৰকাশ কৰিছে।

৩। কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কৰ্মচাৰীসকলৰ বাবে শিক্ষা আৰু ছাত্ৰাবাস ভাট্টা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে।

৪। দেশত এপ্ৰিলত ২ লাখ ১০ হাজাৰ কোটি টকাৰ সৰ্বাধিক সামগ্ৰী আৰু সেৱা কৰ সংগৃহীত হৈছে।

*আৰু*

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত চেন্নাইত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

০০০০০০০

প্ৰধানমন্ত্ৰী তথা বিজেপিৰ জ্যেষ্ঠ নেতা নৰেন্দ্ৰ মোদীয়ে কৈছে যে, তেওঁৰ চৰকাৰ সংবিধানৰ পবিত্ৰতা অক্ষুণ্ণ ৰাখিবলৈ বদ্ধপৰিকৰ। গুজৰাটৰ বানাচকাণ্ঠাৰ দিছাত আজি এখন নিৰ্বাচনী সভাক সম্বোধন কৰি প্ৰধানমন্ত্ৰীয়ে এইদৰে প্ৰকাশ কৰে। শ্ৰীমোদীয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষণ ব্যৱস্থা বৰ্তাই ৰখা হ'ব বুলি আশ্বাস প্ৰদান কৰে।

উন্নত ভাৰতৰ দৃষ্টিভংগীত গুৰুত্ব আৰোপ কৰি শ্ৰীমোদীয়ে কয় যে, তেওঁৰ চৰকাৰে পুনৰ ক্ষমতালৈ আহিলে ভাৰতবৰ্ষক বিশ্বৰ তিনিটা শীৰ্ষৰ অৰ্থ ব্যৱস্থাৰ অন্যতমৰূপে গঢ়ি তোলাৰ বাবে আপ্ৰাণ চেষ্টা চলাব। তেওঁ লগতে কংগ্ৰেছ দলক তোষামোদ আৰু ভোটবেংকৰ ৰাজনীতিৰ বাবে তীব্ৰ সমালোচনা কৰে। শ্ৰীমোদীয়ে বিকশিত গুজৰাটৰ জৰিয়তে উন্নত ভাৰত গঢ়ি তোলাৰ প্ৰতি প্ৰতিশ্ৰুতিবদ্ধতাৰ কথাও প্ৰকাশ কৰে।

০০০০০০০

বিজেপিৰ জ্যেষ্ঠ নেতা অমিত শ্বাহে আজি চত্তিশগড়ৰ কোৰ্বা লোকসভা সমষ্টিৰ অধীনৰ কাটঘোৰা চহৰৰ এখন নিৰ্বাচনী সভাত অংস লয়। তেওঁ কয় যে, কেন্দ্ৰত তৃতীয়বাৰৰ বাবে প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ নেতৃত্বত চৰকাৰ গঠন হ'লে পৰৱৰ্তী দুবছৰৰ ভিতৰতে চত্তিশগড়ৰ মাওবাদী সমস্যা দূৰ কৰা হ'ব। তেওঁ কয়

যে, বিষ্ণুদেৱ  ছাই চৰকাৰ গঠন হোৱাৰ পাছৰে পৰা চাৰি মাহত ৯৫ জন মাওবাদী সংঘৰ্ষত নিহত হৈছে আৰু ৩৫০ জন মাওবাদীক গ্ৰেপ্তাৰ কৰা হৈছে। ইয়াৰ উপৰি কেইবাজনো মাওবাদীয়ে অস্ত্ৰ সম্বৰণ কৰা বুলি মন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। শ্ৰীশ্বাহে কয় যে, কংগ্ৰেছে সদায় ভোটবেংকৰ ৰাজনীতি কৰি আহিছে। তেওঁ কয় যে, বিজেপিয়ে অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষণৰ সমৰ্থন কৰে আৰু দলটোৱে কাকো অনুসূচিত জাতি, অনুসূচিত জনজাতি আৰু অন্যান্য পিচপৰা শ্ৰেণীৰ বাবে সংৰক্ষণ ব্যৱস্থাৰ বিলুপ্তি সাধন কৰিব নিদিয়ে।

০০০০০০০

কংগ্ৰেছৰ নেত্ৰী প্ৰিয়ংকা গান্ধী ভাদ্ৰাই আজি দলীয় প্ৰাৰ্থী ৰকিবুল হুছেইনৰ হকে ধুবুৰীত এখন নিৰ্বাচনী সভা সম্বোধন কৰে। তেওঁ কয় যে, কংগ্ৰেছ দল ক্ষমতালৈ আহিলে অৱহেলিত-বঞ্চিত মহিলাসকলক বছৰি ১ লাখ টকাকৈ প্ৰদান কৰিব আৰু চৰকাৰী খণ্ডত এনে মহিলাৰ বাবে ৫০ শতাংশ চাকৰি সংৰক্ষণ কৰিব। এন ডি এ চৰকাৰক সমালোচনা কৰি প্ৰিয়ংকা গান্ধীয়ে বিগত ১০ বছৰত কৰ্ম-সংস্থাপনহীনতাৰ হাৰ সৰ্বোচ্চ পৰ্য্যায়ত উপনীত হৈছে আৰু ৭০ কোটি লোক কৰ্ম-সংস্থাপনৰ সুযোগৰ পৰা বঞ্চিত হৈ থকা সত্ত্বেও কেন্দ্ৰীয় চৰকাৰৰ অধীনৰ ২০ লাখ পদ খালী হৈ থকা বুলি দাবী কৰে। কংগ্ৰেছ নেত্ৰীগৰাকীয়ে খেতিয়কসকলৰ বাবে ন্যূনতম সমৰ্থন মূল্য আৰু ৪০০ টকাৰ ন্যূনতম ৰাষ্ট্ৰীয় মজুৰি তথা ভূমিহীনসকলক মাটিৰ আইনী নিশ্চয়তা প্ৰদানৰ প্ৰতিশ্ৰুতি প্ৰদান কৰে। শ্ৰীমতী গান্ধীয়ে লগতে কয় যে, তেওঁৰ দলে কোঁচ-ৰাজবংশী জনগোষ্ঠীক অনুসূচিত জনজাতিৰ মৰ্য্যাদা প্ৰদানৰ পোষকতা কৰে। গুৱাহাটী, বৰপেটা, কোকৰাঝাৰ আৰু ধুবুৰী সংসদীয় সমষ্টিত অহা ৭ মে'ত তৃতীয় পৰ্য্যায়ত ভোটগ্ৰহণ অনুষ্ঠিত হ'ব।

০০০০০০০

কংগ্ৰেছে বিগত ১০ বছৰত দেশত মজুৰিৰ হাৰ বৃদ্ধি কৰা হোৱা নাই বুলি অভিযোগ উত্থাপন কৰিছে। দলৰ জ্যেষ্ঠ নেতা জয়ৰাম ৰমেশে আজি নতুন দিল্লীত সাংবাদিকৰ সৈতে হোৱা কথা-বতৰাত শ্ৰম ব্যুৰ'ৰ তথ্যৰ উদ্ধৃতিৰে কয় যে, মোদী চৰকাৰৰ দ্বিতীয় কাৰ্য্যকালত প্ৰকৃত মজুৰিৰ হাৰ হ্ৰাস পাইছে। তেওঁ কয় যে, মনমোহন সিং চৰকাৰৰ শাসনকালত ২০০৪ৰ পৰা ২০১৪ চনৰ ভিতৰত কৃষি শ্ৰমিকৰ প্ৰকৃত মজুৰিৰ হাৰ বছৰি ৬ দশমিক ৮ শতাংশ বৃদ্ধি পাইছিল।

০০০০০০০

২০২৫ বৰ্ষৰ পদ্ম সন্মানৰ বাবে অনলাইনযোগে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়োৱাৰ প্ৰক্ৰিয়া আজি আৰম্ভ হৈছে। পদ্ম সন্মানৰ বাবে নাম মনোনয়ন কৰাৰ অন্তিম দিন অহা ১৫ ছেপ্তেম্বৰ ধাৰ্য্য কৰা হৈছে। ৰাষ্ট্ৰীয় পুৰস্কাৰ প'ৰ্টেল awards.gov.in যোগে পদ্ম সন্মানৰ বাবে মনোনয়ন আৰু পৰামৰ্শ আগবঢ়াব পৰা যাব।

দেশৰ সৰ্বোচ্চ অসামৰিক সন্মান পদ্ম বঁটাসমূহ পদ্ম বিভূষণ, পদ্ম ভূষণ আৰু পদ্মশ্ৰী এই তিনিটা শিতানত প্ৰদান কৰা হয়। কলা, সমাজসেৱা, বিজ্ঞান আৰু অভিযান্ত্ৰিক, বাণিজ্য আৰু উদ্যোগ, ঔষধ, সাহিত্য আৰু শিক্ষা, ক্ৰীড়া আৰু অসামৰিক সেৱা আদি বিভিন্ন শিতানত পদ্ম বঁটাসমূহ প্ৰদান কৰা হয়। প্ৰতি বছৰে গণতন্ত্ৰ দিৱসৰ দিনা এই বঁটাসমূহ ঘোষণা কৰা হয়।

০০০০০০০

কেন্দ্ৰীয় চৰকাৰে ইয়াৰ কৰ্মচাৰীসকলৰ শিক্ষা আৰু ছাত্ৰাবাস ভাট্টা বৃদ্ধি কৰাৰ সিদ্ধান্ত গ্ৰহণ কৰিছে। যোৱা জানুৱাৰীত মৰগীয়া বানচ ৫০ শতাংশ স্পৰ্শ কৰাৰ পাছত এই সিদ্ধান্ত লোৱা হৈছে। কৰ্মচাৰী, ৰাজহুৱা ওজৰ-আপত্তি নিষ্পত্তি আৰু প্ৰশিক্ষণ মন্ত্ৰ্যালয়ে ২০১৮ চনৰ নিৰ্দেশনা অনুযায়ী এই সিদ্ধান্ত লৈছে। ২০১৮

চনৰ নিৰ্দেশনা অনুসৰি মৰগীয়া বানচ ৫০ শতাংশ বৃদ্ধি পালে ভাট্টা আৰু ৰাজ সাহায্য ২৫ শতাংশ বৃদ্ধি পায়। মন্ত্ৰালয়ে গ্ৰহণ কৰা সিদ্ধান্ত অনুযায়ী শিক্ষা ভাট্টা প্ৰতি মাহে দুহেজাৰ ৮১২ টকা আৰু ছাত্ৰাবাস ৰাজ সাহায্য প্ৰতি মাহে ৮ হাজাৰ ৪৩৭ টকা ধাৰ্য্য কৰা হৈছে। দিব্যাংগ শিশুৰ বাবে শিক্ষা ভাট্টাৰ ধনৰাশি ৫ হাজাৰ ৬২৫ টকা হ'ব।

০০০০০০০

দেশত এপ্ৰিলত ২ লাখ ১০ হাজাৰ কোটি টকাৰ সৰ্বাধিক সামগ্ৰী আৰু সেৱা কৰ সংগৃহীত হৈছে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰালয়ে কৈছে যে, বাৰ্ষিক ভিত্তিত এই হাৰ ১২ দশমিক ৪ শতাংশ বৃদ্ধি পাইছে। ঘৰুৱা লেন-দেন আৰু আমদানি বৃদ্ধিৰ বাবে এই হাৰ বৃদ্ধি পোৱা বুলি কোৱা হৈছে। মন্ত্ৰালয়ে কৈছে যে, এপ্ৰিলত সংগৃহীত মুঠ জি এছ্ টিৰ ভিতৰত ৪৩ হাজাৰ কোটি টকাৰ কেন্দ্ৰীয় জি এছ্ টি, ৫৩ হাজাৰ কোটিৰো অধিক টকাৰ ৰাজ্যিক জি এছ্ টি, ৯৯ হাজাৰ কোটিৰো অধিক টকাৰ সংহত জি এছ্ টি আৰু ১৩ হাজাৰো অধিক টকাৰ উপ-কৰ আছে। এপ্ৰিলত ৰিফাণ্ডৰ পাছত মুঠ জি এছ্ টি ৰাজহ ১ লাখ ৯২ হাজাৰ কোটি টকা হয়। এই পৰিসংখ্যাৰ পৰা যোৱা বছৰৰ একে সময়ছোৱাৰ তুলনাত সংগৃহীত সামগ্ৰী আৰু সেৱা কৰ ১৫ দশমিক ৫ শতাংশ বৃদ্ধি পোৱাটো স্পষ্ট হৈ পৰিছে।

০০০০০০০

ভাইচ এডমিৰেল কৃষ্ণা স্বামীনাথনে আজি নৌসেনাৰ উপ-মুৰব্বী হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰে। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পাছতে তেওঁ নতুন দিল্লীৰ ৰাষ্ট্ৰীয় যুদ্ধ স্মাৰকত ৰাষ্ট্ৰৰ হকে প্ৰাণ আহুতি দিয়া বীৰ জোৱানসকললৈ শ্ৰদ্ধাৰ্ঘ্য নিবেদন কৰে। ১৯৮৭ৰ জুলাইত নৌসেনাত নিযুক্তি লাভ কৰা ভাইচ এডমিৰেল কৃষ্ণা স্বামীনাথন যোগাযোগ আৰু বৈদ্যুতিন যুদ্ধৰ বিশেষজ্ঞ।

০০০০০০০

শ্ৰমিক সকলে আগবঢ়াই অহা অৱদানৰ প্ৰতি সন্মান প্ৰদৰ্শন কৰি সমগ্ৰ বিশ্বতে আজি আন্তৰ্জাতিক শ্ৰমিক দিৱস পালন কৰা হয়। আজিৰ এই দিনটো মে' দিৱস হিচাপেও পৰিচিত। অৰ্থনৈতিক আৰু সামাজিক অধিকাৰ লাভ কৰাৰ বাবে সমগ্ৰ বিশ্বৰ শ্ৰমিক সমাজে স্বীকাৰ কৰি অহা ত্যাগৰ প্ৰতি শ্ৰদ্ধা নিবেদনৰ উদ্দেশ্যে এই দিৱস পালন কৰা হয়।

কামৰ সময় দৈনিক ৮ ঘণ্টা নিৰ্ধাৰণৰ দাবীত ১৮৮৬ চনৰ আজিৰ দিনটোত আমেৰিকা যুক্তৰাষ্ট্ৰৰ চিকাগো চহৰত অনুষ্ঠিত এখন বিশাল শ্ৰমিক সমাবেশৰ স্মৃতিচাৰণেৰে বিশ্বজুৰি এই দিৱস পালন কৰা হয়। সমগ্ৰ বিশ্বৰ শ্ৰমিক শ্ৰেণীৰ কল্যাণৰ স্বাৰ্থৰ প্ৰতি লক্ষ্য ৰাখি পালন কৰা এই শ্ৰমিক দিৱসৰ সৈতে সংগতি ৰাখি আজিৰ দিনটোত শ্ৰমিক সমাবেশ, আলোচনা চক্ৰ, সভা-সমিতি আদিৰ আয়োজন কৰা হয়।

উল্লেখযোগ্য যে এইবেলি আন্তঃৰাষ্ট্ৰীয় শ্ৰমিক দিৱসৰ বিষয়বস্তু হৈছে - **জলবায়ু পৰিৱৰ্তনৰ মাজত কৰ্মক্ষেত্ৰৰ সুৰক্ষা আৰু শ্ৰমিকৰ স্বাস্থ্য সুনিশ্চিত কৰা**। এই বিষয়বস্তুৰ জৰিয়তে শ্ৰমিকসকলৰ সুস্বাস্থ্য তথা নিৰাপত্তাৰ বিষয়টোৰ প্ৰতি গুৰুত্ব আৰোপ কৰিবলৈ বিচৰা হৈছে।

০০০০০০০

দক্ষিণ চীনৰ গোৱাংডং প্ৰদেশত যোৱা নিশা ধাৰাষাৰ বৰষুণৰ বাবে ঘাইপথৰ এটা অংশ খহি পৰাৰ ফলত কমেও ২৪ জন লোকে প্ৰাণ হেৰুৱায়। দেশখনৰ চৰকাৰী বাতৰি যোগান প্ৰতিষ্ঠানে প্ৰকাশ কৰা মতে, যোৱা নিশা প্ৰায় ২ বাজি ১০ মিনিটত গোৱাংডং প্ৰদেশৰ মেইঝৌ চহৰ আৰু ডাবু অঞ্চলৰ মাজৰ ঘাইপথৰ এটা অংশ খহি পৰাৰ ফলত এই অঘটনটো ঘটে।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত কিছু সময়ৰ পাছত চেন্নাইৰ এম এ চিদাম্বৰম ষ্টেডিয়ামত হ'বলগীয়া এখন খেলত পাঞ্জাব কিংছ, চেন্নাই ছুপাৰ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব। চেন্নাই ছুপাৰ কিংছ বৰ্তমান প্ৰতিযোগিতাৰ পইণ্ট তালিকাত চতুৰ্থ স্থানত আৰু পাঞ্জাৱ কিংছ অষ্টম স্থানত আছে।

লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে যোৱা নিশা লক্ষ্ণৌৰ একানা ক্ৰিকেট ষ্টেডিয়ামত অনুষ্ঠিত এখন খেলত মুম্বাই ইণ্ডিয়ানছক ৪ উইকেটত পৰাস্ত কৰে। লক্ষ্ণৌ ছুপাৰ জায়েণ্টছে ১৪৫ ৰাণৰ বিজয় লক্ষ্যৰে খেল আৰম্ভ কৰি ১৯ অভাৰ আৰু দুটা বলত ছটা উইকেট হেৰুৱাই নিৰ্দ্ধাৰিত লক্ষ্যত উপনীত হয়। ইয়াৰ পূৰ্বে মুম্বাই ইণ্ডিয়ানছে প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি নিৰ্ধাৰিত ২০ অভাৰত ৭টা উইকেটৰ বিনিময় ১৪৪ ৰাণ কৰে।

০০০০০০০

সমাপ্ত